জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৯৫/২০২১

<u>নৱগঠিত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ</u>

# কোঁচ ৰাজবংশী জনগোষ্ঠীৰ শক্তি একতাৰ মাজত লুকাই আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নৱগঠিত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্বৰ্তীকালীন পৰিষদৰ মনোনীত অধ্যক্ষ, উপাধ্যক্ষ, মুখ্য কাৰ্যবাহী সদস্য আৰু সাধাৰণ সদস্যসকলৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকি দায়িত্বপ্ৰাপ্ত বিষয়ববীয়াসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে কোঁচ ৰাজবংশী জনগোষ্ঠীৰ সৰ্বাংগীণ উত্তৰণৰ বাবে সততা আৰু নিষ্ঠাৰে কৰ্তব্যত ব্ৰতী হ'বলৈ তেওঁলোকৰ প্ৰতি আহ্বান জনায়।

কোঁচ ৰাজবংশী জনগোষ্ঠীৰ শক্তি একতাৰ মাজত লুকাই আছে বুলি মন্তব্য কৰি তেওঁ জনগোষ্ঠীটোৰ নতুন প্ৰজন্মক একত্ৰিতভাৱে স্বজাতিৰ উত্তৰণৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। ৰাজ্য চৰকাৰে নতুন পৰিষদখনলৈ যাৱতীয় সকলোধৰণৰ সহায়-সহযেগিতা আগবঢ়াই যোৱাৰ লগতে পৰিষদখনলৈ যাৱতীয় ক্ষমতা হস্তান্তৰকৰণৰ বাবেও খৰতকীয়া পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত আজিৰ অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ যুটীয়া সচিবে অন্তৰ্বৰ্তীকালীন পৰিষদখনৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, উপাধ্যক্ষ সুখেন চন্দ্ৰ ৰায়, মুখ্য কাৰ্যবাহী সদস্য গকুল বৰ্মনৰ লগতে কাৰ্যবাহী সদস্য আৰু সাধাৰণ সদস্যসকলক আনুষ্ঠানিকভাৱে শপত বাক্য পাঠ কৰোৱায়।

অনুষ্ঠানত সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**২৬-০৯-২০২১**